# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৮ জানুৱাৰী ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**ওৱাকফে জাদিদৰ নৱবৰ্ষৰ শুভেচ্ছাময় ঘোষণা আৰু গোটা বিশ্বৰ জামাতবোৰৰ পৰা আহমদী সকলৰ ধন মাল উচ্ছৰ্গা কৰাৰ আধ্যাত্মিক প্ৰেৰণা আৰু ঈমান বৰ্দ্ধক ঘটনাৰ বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে চুৰা বাকাৰাৰ নিম্ন লিখিত আয়াত তিলাওত কৰে; مَنْ ذَا الَّذِيْ يُقْرِضُ اللهَ قَرْضًا حَسَنًا فَيُضٰعِفَهُ لَهُ اَضْعَافًا كَثِيْرَةً ؕ وَاللهُ يَقْبِضُ وَيَبْصُۜطُ ۪ وَاِلَيْهِ تُرْجَعُوْنَ অৰ্থাৎ কোন আছে যিজনে আল্লাহক ঋণ দান কৰে যাতে সি তাৰ বাবে কেইবাগুণ সেয়া বঢ়াই দিয়ে আৰু আল্লাহ ৰিজিক হ্ৰাসও কৰি লয় আৰু বৃদ্ধিও কৰি দিয়ে আৰু তোমালোক তাৰ ফালেই ওভতি যাবাগৈ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উক্ত আয়াতত আল্লাহ তা'লাক ঋণ প্ৰদানৰ বিষয়ে উল্লেখ কৰিছে। ঋণৰ অভিধানিক অৰ্থ ভাল অথবা ডাঙৰ কল্যাণৰ ফল লাভ কৰাও হয়। ইয়াতে ইয়াৰ অৰ্থ এয়া হ'ব যে কোন আছে যিয়ে আল্লাহৰ বাটত খৰচ কৰে যাতে আল্লাহ তা'লাৰ এই খৰচৰ পৰিৱৰ্তে তাক উত্তম ফলাফল দান কৰে। গতিকে যদি আল্লাহ তা'লাৰ বাবে খৰচ কৰা হৈ আছে,আল্লাহ তা'লাক দিয়া হৈ আছে, তেন্তে আল্লাহ তা'লা তাৰ পৰিৱৰ্তে উত্তম ফল দান কৰি আছে,কোৰ-আন কৰীমৰ বিভিন্ন ঠাইত ধনমাল কোৰবাণী কৰা সম্পৰ্কে উল্লেখ আছে। তাত আল্লাহ তা'লা কৈছে- আৰু আল্লাহৰ দ্বীনৰ বাবে নাইবা আল্লাহ তা'লাৰ সৃষ্টি জীৱৰ কল্যাণাৰ্থে খৰচ কৰাটোকে আল্লাহ তা'লাৰ বাবে খৰচ কৰাৰ সমান বুলি গণ্য কৰা হৈছে। গতিকে যি বস্তুয়ে খোদা তা'লাৰ নিমিত্তে খৰচ কৰা হয় সেয়া পেলনি নেযায় বৰং এয়া এনেকুৱা ঋণ হয়, যাক আল্লাহ তা'লা কেইবা গুণ বঢ়াই উভতাই দিয়ে।

হজৰত আকদছ মছীহ মাওউদ (আঃ)য়ে কৈছে, আল্লাহ তা'লা যি ঋণ বিচাৰিছে, তাৰ অৰ্থ এয়া নহয় যে আল্লাহ তা'লাৰ প্ৰয়োজন আছে আৰু সি নিৰ্ভৰশীল; এনে ধাৰণা কৰাও কুফৰ বৰং ইয়াৰ অৰ্থ হ'ল এয়া যে পুৰস্কাৰ সহ ওভতাই দিম,অৰ্থাৎ বেছিকৈ ওভতাই দিয়া হ'ব। তেখেত (আঃ)য়ে কৈছে যে ইয়াতে এই ঋণ মানে হ'ল এয়া যে কোন আছে যিজনে খোদা তা'লাক সজ আমল প্ৰদান কৰে। আল্লাহ তা'লা তাৰ পুৰস্কাৰ তাক কেইবাগুণ বেছিকৈ দিয়ে। যিকোনো সজ কৰ্মই হওঁক আল্লাহৰ বাবে কৰি যোৱা,তেতিয়া আল্লাহ তা'লা সেয়া বৃদ্ধি কৰি ওভতাই দিয়ে। তাৰ মহানতাই হ'ল এয়া যে فَمَنْ يَّعْمَلْ مِثْقَالَ ذَرَّةٍ خَيْرًا يَّرَهٗ যিয়ে সামান্য পৰিমাণেও নেকি কৰে তাৰও

পুৰস্কাৰ দিয়া হয় আৰু যিয়ে সামান্য পৰিমানেও গোনাহ কৰে তাৰ পৰিণাম ভুগিব লাগিব। কিন্তু চৰ্ত হ’ল এয়া যে সজ অন্তৰেৰে খোদা তা’লাৰ সন্তুষ্টি লাভৰ অৰ্থে কোৰবাণী কৰিব লাগিব আৰু তাৰ বাবে বাকী আদেশসমূহ আৰু নেকিবোৰও পালন কৰিব লাগিব। এয়া নহয় যে ধনমাল দি দিলা আৰু ভাবি ললো যে মই বহুত কোৰবাণী কৰিলোঁ; বাকী ফৰজবিলাক পূৰ্ণ কৰা আৰু নেকিবোৰও পালন কৰাৰ প্ৰয়োজন আছে।এয়া নহয় যে এজন ব্যৱসায়ীৰ দৰে এয়া ভাবি ধন লগোৱা যে কেৱল মুনাফা লুটি লোৱা। আল্লাহ তা’লাৰ বাটত দি দিয়া লাভ পাই যাবা।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মই এতিয়া কিছুমান আহমদী সকলৰ ঘটনা বৰ্ণনা কৰিম যি সকলে আল্লাহ তা’লাৰ এই আদেশৰ পৰা কল্যাণ লাভ কৰিছে। ইয়াৰে বেছি ভাগ ঘটনা এনেকুৱা আছে যে তেওঁলোকে আল্লাহ তা’লাৰ বাবে কোৰবাণী কৰিছে,আৰু আচৰিত জনক ভাৱে সিহঁতৰ প্ৰয়োজন আল্লাহ তা’লা কেৱল পূৰ্ণ কৰা নাই বৰং বেছিকৈয়ে প্ৰদান কৰিছে।

গিনিকিনা কৰিৰ সভাপতি আৰু ইনচাৰ্জ মহোদয়ে বৰ্ণনা কৰিছে যে তেওঁলোকে যোৱা বছৰত মই দিয়া ওৱাকফে জাদিদৰ খোতবা মছজিদত পঢ়ি শুনায়, যি খোতবাটোত মই ধন কোৰবাণী কৰাৰ গুৰুত্ব বৰ্ণনা কৰিছিলোঁ। নমাজে জুমাৰ পিছত এজন দৰিদ্ৰ আৰু একনিষ্ঠ আহমদী মুছা কাবা চাহাবে পকেটত যিমান খিনি পইচা আছিল; সেয়া বৰ আগ্ৰহেৰে ওৱাকফে জাদিদৰ চান্দা হিচাপে আগবঢ়াই দিয়ে; অথচ লোকজনে ইয়াৰ আগতে নিজৰ ওৱাকফে জাদিদৰ বাজেট হিচাপে চান্দা দি দিছিল। যেতিয়া তেওঁক কোৱা হৈছিল যে অলপমান টকা আপুনি ইয়াৰ পৰা নিজে লৈ লওঁক কাৰণ আপোনাৰ দেখোন ঘৰত যাব লাগিব। আপুনি গোটেই খিনি পইচা পকেটৰ পৰা উলিৱাই দিছে,এতিয়া আপোনাৰ ভাড়াৰ পইচাও পকেটত নাই। তেতিয়া লোক জনে ক’বলৈ লৈছিল যে আপুনি শুনা নাইনে যে হজৰত মছীহ মাওউদ (আঃ)য়ে এখন হৃদয়ত দুটা ভালপোৱা জমা হ’ব নোৱাৰে। গতিকে আজি মোক আল্লাহ তা’লাৰ প্ৰেমত আশ্ৰয়ত জীয়াই থাকিবলৈ দিয়ক। এই বুলি লোক জনে আনন্দ মনেৰে খোজ কাঢ়ি ঘৰলৈ গুচি যায়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়াই হ’ল,সেই দৃশ্য, যাক দেখি হৃদয় আল্লাহ তা’লাৰ প্ৰশংসাত ভৰি উঠে যে এয়া কেনেকুৱা একনিষ্ঠ জমাত, যি আল্লাহ তা’লা হজৰত মছীহ মাওউদ (আঃ)ক প্ৰদান কৰিছে। কিন্তু ইয়াৰ ওপৰি আন কিছুমান লোক আছে; খোতবা শুনে আৰু কয় যে হয় আমি খোতবা শুনিছো,কিন্তু তাৰ গভীৰতালৈ গৈ নাপায় আৰু মনোযোগেৰে নুশুনে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়া হ’ল উদাহৰণ যে কোনো কথা গভীৰ মনোযোগেৰে শুনি তাৰ ওপৰত আমল কৰিব লাগে। এয়া কেনে আচৰিত কোৰবাণীৰ দৃশ্য আছিল। এয়াও বয়াতৰ চৰ্ত হয় যে সকলো অৱস্থাতেই আল্লাহ তা’লাৰ আনুগত্যৰ শপত পূৰ্ণ কৰিব লাগিব, কোনোবাৰ অভিযোগ নচলিব। আমাৰ বিৰুদ্ধবাদী সকলে কয় যে আমি জমাতৰ নাম জগতৰ পৰা মচি পেলাম। কোন আছে যে তেওঁ আল্লাহ তা’লাৰ সৈতে প্ৰেমত বিভোৰ আৰু আনুগত্য বজায় ৰাখোতা সকলক বিনষ্ট কৰিব পাৰে ? আল্লাহ তা’লা এনেকুৱা প্ৰেমিক সকলক নিজৰ কোলত সাৱটি লয় আৰু শত্ৰুৰ ভস্মও দেখিবলৈ পোৱা নাযায়।

ভাৰতৰ পৰা কমৰ উদ্দিন চাহাবে লিখিছে যে ধন জামা হোৱাৰ বছৰৰ প্ৰায় শেষ প্ৰান্তত নাজিম ওৱাকফে জাদিদৰ সৈতে কালিকটলৈ গৈছিলো। তাতে এজন আহমদী হানিফ চাহাবৰ ঘৰলৈ গৈছিলো। লোকজনে শ্ৰমিক হিচাপে দিনাতিপাত কৰে। তেওঁৰ দহ বছৰীয়া ল’ৰা জনে এটা গোলক হাতত লৈ আমাৰ ওচৰলৈ আহে আৰু ওৱাকফে জাদিদৰ চান্দা আদায় দি কয় যে এই ধন তেওঁ ওৱাকফে জাদিদৰ বাবে গোটেই বছৰ জুৰি জমা কৰিছে।

যেতিয়া সেই গোলকটো খোলা হৈছিল দেখা গ'ল যে তাত এটা ডাঙৰ অংকৰ ধন জমা হৈছে।তেতিয়া নাজিম চাহাবে সেই ল'ৰা জনক সুধিছিল যে সাধাৰণতে ল'ৰা ছোৱালীয়ে পইচা জমা কৰে নিজৰ পছন্দনীয় বস্তু কিনি লোৱাৰ বাবে। কিন্তু তুমি কিয় এই পইচা ওৱাকফে জাদিদৰ চান্দাত দি আছা ? তেতিয়া সেই ল'ৰা জনে উত্তৰ দিছিল যাৰ মূল কথা আছিল এয়া যে আল্লাহ তা'লা আৰু ৰছুল (ছাঃ) আৰু খলিফাসকল দেখোন খোদা তা'লাৰ বাটত খৰচ কৰিবলৈ আদেশ দিছে। সেয়ে মই এই টকা চান্দা ওৱাকফে জাদিদত দি আছো। এয়াই হ'ল আহমদী ল'ৰা ছোৱালীৰ শিক্ষা বিধান, যিখন জমাতৰ ল'ৰা ছোৱালীৰ এনে চিন্তা ধাৰা হয় আৰু এনেদৰে শিক্ষা দিয়া হয়, সেই জমাতৰ ক্ষতি সাধন জমাতৰ বিৰুদ্ধবাদী সকলে কেনেকৈ কৰিব পাৰিব।

আলবানিয়াৰ মুবাল্লিগ চাহাবে লিখিছে যে এজন বন্ধু মাইকিলিছ বায়া চাহাব যিজনে তিনি বছৰ আগত বয়াত কৰিছে। এদিন এই জনাবে এটা টেমা লগত লৈ আহি আমাৰ ওচৰত উপস্থিত হৈ কয় যে তেওঁ এমাহ ধৰি এই টেমা নিজৰ গাড়ীত এই উদ্দেশ্যে ৰাখি থৈছিল আৰু যিমান পইচা ৰাহি হৈছিল জমাতৰ চান্দাৰ বাবে সেই টেমাত ৰাখি থৈছে। গতিকে প্ৰথমবাৰ তেওঁ সেই ভৰ্তি টেমাটো লৈ আনি তাৰে পৰা এটা অংশ নিজৰ চাৰি মহীয়া কেচুৱা জনৰ ফালৰ পৰা তেহেঁৰিকে জাদিদৰ চান্দা আৰু ওৱাকফে জাদিদৰ চান্দা আৰু লাজমি চান্দা আদায় দিয়ে। ইয়াৰ পিছৰে পৰা তেওঁ প্ৰত্যেক মাহতেই এটা টেমা ভৰ্তি পইচা লৈ আনি চান্দা কটোৱাইছিল। নিজৰ সামৰ্থ অনুযায়ী লোকজনে যথেষ্ট অংকৰ ধন কোৰাবাণী হিচাপে আগবঢ়াইছে।

বৃটেইনৰ পৰা চিন জমাতৰ সভাপতি চাহাবে কৈছে যে আমাৰ জমাতৰ টাৰ্গেট বহুত কম আছিল। মই এই বিষয়ে তাহাজ্জুদ নমাজত দোৱা কৰিছিলোঁ। এদিন মোৰ পত্নীয়ে মোক কয় যে অমুক ব্যক্তিজনক যদি কোৱা হয় তেন্তে কিজানি আৰু বেছি আদায় হ'ব। গতিকে তাৰ লগত যোগাযোগ কৰা হয় তেতিয়া সেই পৰিয়ালটোৱে কৈছিল-ঠিক আছে আমাৰ নাম প্ৰকাশ নকৰিবা এই বুলি এক হাজাৰ পাউণ্ড আদায় দিছিল। ইয়াৰ ওপৰি এক হাজাৰ পাউণ্ড নিজৰ ল'ৰা ছোৱালীৰ ফালৰ পৰা আদায় দিছিল। তাৰ পিছত কৈছিল এইখিনিৰ ওপৰিও যদি আপোনালোকৰ আৰু প্ৰয়োজন হয় তেন্তে আমাক জনাব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ফ্ৰান্স,কাজাকিস্থান, মস্কো,ছেৰালিউন,কিৰগিস্থান, তানজানিয়া,মালবি,জাৰ্মানি,কানাডা, বৰকিনা ফাচো,আদি দেশবোৰৰ জমাত বিলাকৰ ধন কোৰাবাণী (উচ্ছৰ্গা) কৰাৰ মনোগ্ৰাহী ঘটনা বিলাকৰ বৰ্ণনা কৰি দৃঢ় ঈমানৰ দীপ্তি দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এতিয়া মই ওৱাকফে জাদিদৰ নতুন বছৰৰ ঘোষণা কৰি যোৱা বছৰৰ এটা হিচাপৰ তালিকা আগবঢ়াম। আল্লাহ তা'লাৰ কৃপাত ওৱাকফে জাদিদৰ ৬৩ তম বছৰটো ২০২০ চনৰ ৩১ ডিচেম্বৰত অন্ত পৰিল আৰু ৬৪ তম বছৰটো ২০২১ চনৰ ১ জানুৱাৰীৰ পৰা আৰম্ভ হৈ গৈছে, আল্লাহ তা'লাৰ কৃপাত এই বছৰ গোটেই জামাতে মিলি এক কৌটি পাঁচ লাখ ত্ৰিশ হাজাৰ পাউণ্ড ধনৰ কোৰবাণী আগবঢ়োৱাৰ তৌফিক লাভ কৰিছে। এই আদায়কৃত ধনৰ সংখ্যা যোৱা বছৰতকৈ আঠ লাখ সাতাইশ হাজাৰ পাউণ্ড বেছি হৈছে। আলহামদুলিল্লাহ এইবাৰও বৃটেইন বিশ্বৰ সকলো জামাতৰ ভিতৰত আদায় দিয়া তালিকাৰ শীৰ্ষস্থান দখল কৰিছে। ইয়াৰ পিছত ক্ৰমানুসাৰে আছে জাৰ্মানি, পাকিস্তান, কানাডা,আমেৰিকা, অষ্ট্ৰেলিয়া,মিডলইষ্টৰ এটা জমাত,ইণ্ডোনেচীয়া আৰু ঘানা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ভাৰতৰ জমাতৰ ভিতৰত সমূহীয়া আদায় দিয়া ৰাজ্য সমূহৰ মাজত ক্ৰমানুসাৰে আছে, কেৰালা,তামিলনাডু,জম্মু কাশ্মীৰ,তেলেঙ্গানা,কৰ্নাটক,উৰিষ্যা,পঞ্জাৱ,ওৱেষ্ট বেঙ্গল,দিল্লি,উত্তৰ

প্ৰদেশ আৰু জমাত হিচাপে তালিকাত আছে- কোৱেম্বটোৰ,কাদিয়ান,পথপ্ৰেম,হায়দৰাবাদ,কলিকতা,বাঙ্গালোৰ, কালিকট,কিন্নৰ টাউন ৰিশিনগৰ আৰু কেৰেং জমাত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লা এই সকল কোৰবাণীকাৰীৰ ধনমাল আৰু প্ৰাণৰ মাজত অফুৰন্ত কল্যাণ দান কৰক। এওঁলোকক আধ্যাত্মিক ভাৱে উন্নতি দান কৰক আৰু আল্লাহৰ অধিকাৰ আৰু বান্দাৰ অধিকাৰ প্ৰদান কৰোঁতা বনাওঁক।

বৰ্তমান পৰিস্থিতি হিচাপে পাকিস্তানৰ আহমদী সকলৰ বাবে বিশেষ ভাৱে দোৱা কৰক। আল্লাহ তা'লা তেওঁলোকৰ সকলো সমস্যা যেন দূৰীভূত কৰে। বিৰুদ্ধবাদী সকলৰ হাতত যেন তেওঁলোকে ঢুকি নাপায়। যিবিলাক বিৰুদ্ধবাদীৰ সংশোধন হ'বলৈ নাই আল্লাহ তা'লা তেওঁলোকৰ গ্ৰেপ্তাৰীৰ পৰোৱানা জাৰি কৰক। বন্দী সকলৰ মুক্তিৰ উপায় দান কৰক। আলজেৰিয়াৰ বন্দী সকলৰ মুক্তিৰ উপায় দান কৰক। দোৱা,নফল আৰু ছাদকা আদিৰ ওপৰত জোৰ দিয়ক। আল্লাহ তা'লা পাকিস্তানত যেন শান্তিৰ আৰু নিৰাপত্তাৰ বাতাবৰণ সৃষ্টি কৰে আৰু এজনে আনজনৰ যি ডিঙি কটাত লাগি আছে আৰু আতংকবাদী আৰু যি হিংসা বিদ্বেষৰ জোৱাৰ উঠিছে, এই বিলাক আল্লাহ তা'লা অনতিপলমে অন্ত পেলোৱাৰ বাট মুকলি কৰে যেন। এনেদৰে জগতৰ বৰ্তমান পৰিস্থিতি সম্পৰ্কে দোৱা কৰক, যাৰ বৰ্তমানে বৰ বেগেৰে পতন ঘটিবলৈ আৰম্ভ কৰিছে। আল্লাহ তা'লা মানৱতাৰ ওপৰত দয়া বৰ্ষণ কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 8 JANUARY 2021**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**